**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 23**-08-2024
**Time :** 1715Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**:::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নগাঁৱ জিলাৰ ধিঙত এগৰাকী ছাত্ৰীক যৌন নিৰ্যাতনৰ ঘটনাৰ তদন্তৰ বাবে দিয়া নিৰ্দেশ অনুসৰি আৰক্ষী সঞ্চালক প্ৰধান জি পি সিং আজি ধিঙত উপস্থিত হয়। সঞ্চালক প্ৰধানগৰাকীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে ছাত্ৰীগৰাকীৰ ঘৰত উপস্থিত হৈ অভিভাৱকৰ সৈতে মত বিনিময় কৰে। পাছত ধিং আৰক্ষী থানাত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰী সিঙে কয় যে ঘটনাৰ সংক্ৰান্তত এজন সন্দেহজনক যুৱকক কৰায়ত্ব কৰা হৈছে আৰু তদন্তই সঠিক দিশত অগ্ৰগতি লাভ কৰিছে। যথেষ্ট তথ্য-প্ৰমাণ আৰক্ষীয়ে ইতিমধ্য লাভ কৰিছে আৰু অতি কম সময়ৰ ভিতৰতে দোষীক চিনাক্ত কৰ হ'ব বুলি তেওঁ অশ্বাস দিয়ে। উল্লেখযোগ্য যে, এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ধিং অঞ্চলৰ বিভিন্ন দল সংদঠনে প্ৰতিবাদ সাব্যস্ত কৰিছে।মুখ্যমন্ত্ৰীয়ে আৰক্ষীক তাৎক্ষণিকভাৱে ঘটনাৰ দোষীৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমৰ এটা পোষ্টত এই ঘটনাক মানৱতাৰ বিৰুদ্ধে অপৰাধ বুলি উল্লেখ কৰিছে। ইপিনে ছাত্ৰীগৰাকীৰ শাৰীৰিক অৱস্থা বৰ্তমান সুস্থিৰ বুলি নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষকে জানিবলৈ দিছে। নগাওঁ জিলা প্ৰশাসনে ছাত্ৰীগৰাকীৰ চিকিৎসাৰ ক্ষেত্ৰত যাতে কোনো ক্ৰুতি নাথাকে তাৰ বাবে নিৰ্দেশ দিছে। তদুপৰি জিলা আৰক্ষী বিভাগে সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰি দোষীক কৰায়ত্ত কৰিবলৈ সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে। জিলা প্ৰশাসনে জনসাধাৰণক শান্তি-শৃংখলা বজাই ৰাখি দোষীক কৰায়ত্ত কৰি উচিত শাস্তি প্ৰদান কৰা ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। ইপিনে ধিঙত সংঘটিত ঘটনাৰ বিৰুদ্ধে শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিত কেইবাটাও দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠন কেইটাই প্ৰতিবাদী শোভাযাত্ৰী উলিয়াই দোষীক কঠোৰতকৈ কঠোৰ শাস্তিৰ দাবী জনায়।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে কেৱল মহাকাশ খণ্ডতে নহয় দেশৰ আৰ্থসামাজিক উন্নয়নতো ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেঁও কয় যে মহাকাশ খণ্ডৰ বিকাশৰ ফলত স্বাস্থ্য, পৰিবহন, পৰিবেশ, শক্তি নিৰাপত্তা, তথ্য প্ৰযুক্তি আৰু আন আন বহু খণ্ড লাভান্বিত হৈছে। লগতে মহাকাশ অন্বেষণে মানৱ জাতিৰ সামৰ্থ বৃদ্ধি কৰিছে, কল্পনাক বাস্তৱায়িত কৰিছে, বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য উদ্ঘাটন কৰিছে। ইছৰোৰ চন্দ্ৰযানে চন্দ্ৰত অৱতৰণ কৰা সময়খিনি সকলো ভাৰতীয়ৰ বাবে গৌৰৱৰ মুহুৰ্ত বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয় যে মহাকাশ দিৱস উদ্যাপন কৰাটো প্ৰশংসনীয় পদক্ষেপ। ন্যুনতম সম্পদৰ জৰিয়তে সম্পন্ন কৰা মঙল অভিযান, একে সময়তে এশতকৈ অধিক উপগ্ৰহ উৎক্ষেপন আদি বহু কৃতিত্বৰে ভাৰতৰ মহাকাশ খণ্ডৰ বিকাশ অসাধাৰণ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। ২০৩০ চনৰ ভিতৰত মহাকাশ অভিযানক আৱৰ্জনামুক্ত কৰাৰ ইছৰোৰ পৰিকল্পনা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰশংসা কৰে। আনহাতে,

কেন্দ্ৰীয় মহাকাশ স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে মহাকাশখণ্ডৰ পূৰ্বৰ জটিলতাসমূহ দূৰ কৰিছে। লগতে ইছৰোৰ অধ্যক্ষ এছ্ সোমনাথে কয় যে এইবছৰ ৰাষ্ট্ৰীয় মহাকাশ দিৱস বিভাগ, মন্ত্ৰালয়, শিক্ষানুষ্ঠান, বিজ্ঞান সংস্থা তথা সাধাৰণ জনতাৰ অংশগ্ৰহণেৰে উদ্‌যাপন কৰা হৈছে। এই দিৱসত দেশৰ জনতাৰ মাজত উৎসাহ উদ্দীপনা পৰিলক্ষিত হৈছে বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে।

oooooooo

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ তথা কৰ্পৰেট পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী হৰ্ষ মালহোত্ৰাই আজি দৰং জিলা ভ্ৰমণ কৰি মঙলদৈৰ বাঘপড়ি গাঁৱত জলজীৱনৰ মিছন আঁচনিৰ অধীন নিৰ্মাণ কৰা দুই নম্বৰ খোৱাপানী যোগান আঁচনিখন পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত তেওঁৰ সৈতে সাংসদ দিলীপ শইকীয়া, স্থানীয় বিধায়ক, জিলা আয়ুক্ত আদিয়ে সংগ দিয়ে।

ইফালে মন্ত্ৰীগৰাকীয়ে আজি তেজপুৰৰ মহাভৈৰৱ মন্দিৰ দৰ্শন কৰে। মন্ত্ৰীগৰাকীৰ সৈতে শোণিতপুৰৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ উপস্থিত থাকে।

oooooooo

কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ ৰাজ্য মন্ত্ৰী সাবিত্ৰী ঠাকুৰে আজি মৰিগাঁও জিলাৰ কৃষিখণ্ড পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে জিলা কৃষি বিভাগৰ অধীনৰ ইয়াংলি কৃষক উৎপাদক প্ৰতিষ্ঠানৰ কাৰ্যালয়ত উপস্থিত হৈ বিভাগৰ নৱতম সংযোজন কৃষি কেচুসাৰ পৰ্যটনৰ শুভাৰম্ভ কৰে। শ্ৰীমতী ঠাকুৰে বিভাগে গ্ৰহণ কৰা এই যুগান্তকাৰী পদক্ষেপৰ শলাগ লয়। ইয়াৰ পাছতে তেওঁ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত কৃষক ৰাইজৰ সৈতে মত বিনিময় কৰে।

oooooooo

ৰাজ্যৰ জলসম্পদ, তথ্য আৰু জনসংযোগ তথা সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই মৰিগাওঁ জিলাৰ জাগীৰোডৰ নেলী গাওঁ পঞ্চায়তত গোপালকৃষ্ণ চাহ বাগিছাত আজি জগন্নাথ ৰাজহুৱা ভৱন আৰু দক্ষতা বিকাশ কেন্দ্ৰৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলৰ শৈক্ষিক উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অভিলাসী আঁচনিৰ অধীনত এই কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে। আজিৰ কাৰ্যসূচীত ৰহাৰ বিধায়ক শশীকান্ত দাস, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য নাৰায়ণ কুমাৰ ৰাডুকাকতিৰ লগতে পৰিষদৰ একাংশ সদস্য উপস্থিত থাকে।

oooooooo

ঃসমাপ্তঃ